# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-11-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশপ্ৰেমমূলক গীত বন্দে মাতৰমৰ ডেৰশ বছৰীয়া বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি কাইলৈ নতুন দিল্লীত বছৰজোৰা বিশেষ কাৰ্যসূচী মুকলি কৰিব।

২। কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে গুৱাহাটীৰ লাচিত ঘাটত অহা দেওবাৰে হ'বলগীয়া ৯৩ সংখ্যক বায়ু সেনা দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

৩। বিহাৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ চলি আছে। ৰাজ্যখনত দিনৰ ১১ বজালৈ ২৭ দশমিক ২ - ৬ শতাংশ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিছে।

৪। বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই আজি লেটিন আমেৰিকাৰ দেশ ইকুৱেডৰৰ বিদেশ মন্ত্ৰী গেব্ৰিয়েলা ছ'মৰফেল্ডক সাক্ষাৎ কৰে।

আৰু

৫। ভাৰতে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে কুইন্সলেণ্ডত অনুষ্ঠিত পাঁচখনীয়া টী-২০ ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰিছে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশপ্ৰেমমূলক গীত বন্দে মাতৰমৰ ডেৰশ বছৰীয়া বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি কাইলৈ নতুন দিল্লীত বছৰজোৰা বিশেষ কাৰ্যসূচী মুকলি কৰিব। সাংস্কৃতিক মন্ত্ৰালয়ে ৰাষ্ট্ৰীয় সংগীত বন্দে মাতৰমৰ ডেৰশ বছৰীয়া বাৰ্ষিকী উৎসৱৰ আয়োজন কৰিছে। অহা বছৰৰ ৭ নৱেম্বৰলৈ এই বছৰজোৰা কাৰ্যসূচী চলিব। ডেৰশ বছৰ সম্পূৰ্ণ হোৱা বন্দে মাতৰমে ৰাষ্ট্ৰবাদ, একতা তথা ব্ৰিটিশ শাসনৰ বিৰুদ্ধে প্ৰতিৰোধৰ সমূহীয়া ভাৱনাৰ প্ৰতীকৰূপে প্ৰেৰণা যোগাই আহিছে।

ooooooooo

কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে গুৱাহাটীৰ লাচিত ঘাটত অহা দেওবাৰে হ'বলগীয়া ৯৩ সংখ্যক বায়ু সেনা দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানৰ অংশ হিচাপে সেইদিনা দুপৰীয়া চাৰে ১২ বজাৰ পৰা দিনৰ দুই বজালৈ এয়াৰ শ্ব' প্ৰদৰ্শন কৰা হ'ব। কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত এই এয়াৰ শ্ব'ত ৰাফেল, মিগ, ছুখয় আদিৰ দৰে ৭৫ খন বিমানে ভাগ ল'ব। বিদ্যালয়, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বৃদ্ধা শ্ৰমৰ আবাসীসকলক অনুষ্ঠানলৈ নিমন্ত্ৰণ জনোৱা হৈছে। গুৱাহাটীৰ উজান বজাৰৰ নতুন পাৰ্কৰ পৰা ইচ্ছুক ব্যক্তিসকলে ফ্লাইং শ্ব' চাব পাৰিব। জনসাধাৰণে সুবিধা অনুযায়ী গুৱাহাটীৰ নিজৰ ঘৰৰ পৰাও এই শ্ব'টো উপভোগ কৰিব পাৰিব। মহানগৰীৰ অশ্বক্লান্ত মন্দিৰৰ প্ৰাংগণত অতিথিৰ বাবে এয়াৰ শ্ব' চোৱাৰ ব্যৱস্থা কৰা হৈছে।

ব্ৰহ্মপুত্ৰৰ পাৰত বায়ুসেনাৰ সামৰিক প্ৰদৰ্শনৰ অনুশীলনৰ পৰিপ্ৰেক্ষিতত আজিৰেপৰা ৯ নৱেম্বৰলৈ গুৱাহাটী-উত্তৰ গুৱাহাটীৰ মাজৰ ফেৰীসেৱা বন্ধ ৰখা হৈছে। এই অনুশীলনত সুবিধা হোৱাকৈ আৰু গুৱাহাটী গে'টৱে মুকলি অনুষ্ঠানৰ বাবে অভ্যন্তৰীণ জল পৰিবহণ বিভাগে ফেৰীসেৱা বন্ধ ৰখাৰ সিদ্ধান্ত লৈছে। বিকল্প হিচাপে উত্তৰ গুৱাহাটীৰ পৰা গুৱাহাটীলৈ আজিৰেপৰা অসম ৰাজ্যিক পৰিবহণ নিগমৰ বাছ চলাচলৰ ব্যৱস্থা কৰা হৈছে। বায়ু সেনা দিৱসৰ ফ্লাই পাষ্টৰ বাবে ৮ আৰু ৯ নৱেম্বৰত গুৱাহাটীত যান-বাহন চলাচলৰ ক্ষেত্ৰত কিছু নিষেধাজ্ঞা আৰোপ কৰা হৈছে। বাণিজ্যিক সামগ্ৰী কঢ়িওৱা বাহন তথা অন্য গধুৰ বাহনক এইচ বি ৰোড, এ টি ৰোড, ডি জি ৰোড, এম জি ৰোড, বি বৰুৱা ৰোড, জি এন বি ৰোডত ৮ আৰু ৯ নৱেম্বৰৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৫ বজালৈ চলাচলৰ অনুমতি দিয়া নহ'ব। সেই সময়খিনিত ঠেলা, ৰিক্সা আদি বাহনক এম জি ৰোডত মাছখোৱাৰ পৰা মুখ্য ন্যায়াধীশৰ বাংলোলৈকে চলাচল কৰাত বাধা আৰোপ কৰা হৈছে। বায়ু সেনাই জাৰি কৰা আৰু বিতৰণ কৰা অনুমতিপত্ৰ থকা বাহনৰ বাহিৰে

আন কোনো বাহন দিনৰ ১১ বজাৰ পৰা বিয়লি ৫ বজালৈ সেই অঞ্চলত চলাচল কৰিব নোৱাৰিব। খানাপাৰাৰ পৰা ভৰলুমুখৰ ফালে অহা সকলো ছিটি বাছ জি এছ ৰোড, এ টি ৰোড, আঠগাওঁ হৈ গৈ পাণবজাৰৰ আৰ বি আই হৈ ঘুৰিব নোৱাৰিব। ছিটিবাছৰ বাহিৰে জালুকবাৰীৰ পৰা অহা কোনো গধুৰ বাহন মহানগৰীত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব। এইচ বি ৰোডত দুয়োপিনে যান-বাহন চলাচল কৰিব পাৰিব।

০০০০০০০০০

—বিহাৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ চলি আছে। ৰাজ্যখনত দিনৰ ১১ বজালৈ ২৭ দশমিক ২ - ৬ শতাংশ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিছে। বেগুচৰাই জিলাত সৰ্বাধিক ৩০ দশমিক ৩ - ৭ শতাংশ ভোটদান হৈছে। ৰাজ্যখনৰ কেইবাগৰাকীও আগশাৰীৰ নেতাই আজি পুৱাৰ ভাগত ভোটদানৰ অধিকাৰ সাব্যস্ত কৰে। বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে পাটনা জিলাৰ বখ্‌টিয়াৰপুৰত, উপ-মুখ্যমন্ত্ৰী তথা তাৰাপুৰ সমষ্টিৰ বিজেপি প্ৰাৰ্থী সম্ৰাট চৌধৰীয়ে মুংগেৰত ভোটদান কৰে। বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায় আৰু তেওঁৰ পত্নীয়ে হাজিপুৰত ভোটদানৰ অধিকাৰ সাব্যস্ত কৰে। একেদৰে বিকাশশীল ইনচান পাৰ্টিৰ মুৰব্বী তথা মহা মিত্ৰজোঁটৰ উপ-মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী মুকেশ চাহানীয়ে দৰভংগাত ভোটদান কৰে।

প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত ৰাজ্যখনৰ ১৮ খন জিলাৰ ১২১ টা সমষ্টি সামৰি লোৱা হৈছে। ভোটগ্ৰহণ সন্ধিয়া ৬ বজাত সামৰণি পৰিব। অৱশ্যে সুৰক্ষাজনিত কাৰণত চিম্‌ৰি বখ্‌টিয়াৰপুৰ, মহিচি, তাৰাপুৰ, মুংগেৰ, জমালপুৰ আৰু সূৰ্যগড়া বিধানসভা সমষ্টিৰ অধীনৰ ৫৬ টা কেন্দ্ৰত ভোটগ্ৰহণ ৫ বজাত সামৰণি পৰিব।

ইপিনে, ৰাজ্যখনত দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ প্ৰচাৰ অভিযান পূৰ্ণ গতিত চলি আছে। এন ডি এ আৰু মহা মিত্ৰজোঁটৰ তাৰকা প্ৰচাৰক আৰু জ্যেষ্ঠ নেতাসকলে দ্বিতীয় পৰ্যায়ত সামৰি ল'বলগীয়া সমষ্টিসমূহত একাধিক নিৰ্বাচনী সভাত ভাগ লোৱা পৰিলক্ষিত হৈছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভাগলপুৰ আৰু আৰাৰিয়াত নিৰ্বাচনী সভাত ভাষণ দিব। একেদৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে পশ্চিম চম্পাৰণ, পূব চম্পাৰণ আৰু মধুবনি জিলাত আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে পূব চম্পাৰণ আৰু সীতামঢ়ি জিলাত দলৰ হৈ প্ৰচাৰ চলাব। ইপিনে, মহা মিত্ৰজোঁটৰ মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী তেজস্বী প্ৰসাদ যাদৱে আজি মধুবনী, চুপ'ল, কিষাণগঞ্জ, কাটিহাৰ আৰু পূৰ্ণিয়া জিলাত ১৮ খন নিৰ্বাচনী সভাত ভাগ লোৱাৰ কথা।

০০০০০০০০০

বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই আজি লেটিন আমেৰিকাৰ দেশ ইকুৱেডৰৰ বিদেশ মন্ত্ৰী গেব্ৰিয়েলা ছ'মৰফেল্ডক সাক্ষাৎ কৰে। বৈঠকত দুয়ো পক্ষই ৰাজনৈতিক, বাণিজ্যিক, ভেষজ প্ৰশিক্ষণ আৰু সামৰ্থ্য বৃদ্ধিৰ লগতে পাৰস্পৰিক স্বাৰ্থজড়িত আন ক্ষেত্ৰসমূহৰ সহযোগিতা সুদৃঢ় কৰাৰ সুযোগত অন্বেষণ কৰে। বৈঠকত দুয়োগৰাকী নেতাই উভয় দেশৰ কূটনৈতিক প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহৰ মাজত সহযোগিতাৰ বাবে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা আৰু শ্ৰীমতী ছ'মাৰফেল্ডে কালি যুটীয়াভাৱে ইকুৱেডৰৰ ৰাজধানী কুইট'ত ভাৰতীয় দূতাবাস উদ্বোধন কৰে। শ্ৰী মাৰ্ঘেৰিটাই লগতে ভাৰত আৰু ইকুৱেডৰৰ মাজৰ দ্বিপাক্ষিক বাণিজ্যিক সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ বিভিন্ন উপায় সম্পৰ্কে দেশখনৰ আগশাৰীৰ ব্যৱসায় জগতৰ প্ৰতিনিধিসকলৰ সৈতে মত বিনিময় কৰে।

০০০০০০০০০

অসমৰ মুখ্য তথ্য আয়ুক্ত ভাস্কৰজ্যোতি মহন্তই আজি পদত্যাগ কৰিছে। ৰাজ্যখনৰ ৰাজ্যপাললৈ লিখা এখন পত্ৰত মহন্তই সংগীত শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ পাছত তেওঁৰ ভাতৃ শ্যামকানু মহন্তৰ বিৰুদ্ধে কেইবাখনো আৰ টি আই আবেদন দাখিল কৰা আৰু এই সম্পৰ্কত আপীল তথ্য আয়োগলৈ অহাৰ পৰিপ্ৰেক্ষিতত পদত্যাগ কৰা বুলি প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে ভাৰতীয় আৰক্ষী সেৱাৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ বিষয়া তথা অসমৰ প্ৰাক্তন আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তই ২০২৩ চনত ৰাজ্যিক মুখ্য তথ্য আয়ুক্তৰ পদ গ্ৰহণ কৰিছিল।

০০০০০০০

সাংসদ খেল মহোৎসৱৰ অংশ হিচাপে অহা ১৬ নৱেম্বৰত নতুন দিল্লীত নমো ৰান মাৰাথনৰ আয়োজন কৰা হৈছে। কৰ্প'ৰেট পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী হৰ্ষ মলহোত্ৰাই খেল মহোৎসৱ উদ্বোধন কৰি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে প্ৰায় ৩০ হাজাৰ প্ৰতিযোগীয়ে খেল মহোৎসৱত পঞ্জীয়ন কৰিছে। তিনিটা পৰ্যায়ত আয়োজন কৰা এই মহোৎসৱত ভাৰতীয় পৰম্পৰাগত খেলসমূহৰ উপৰি অলিম্পিকত অন্তৰ্ভুক্ত কৰা খেলো অনুষ্ঠিত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয়, যে প্ৰতিযোগিতাত ভাল প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হোৱা খেলুৱৈসকলক প্ৰশিক্ষক আৰু অন্যান্য সা-সুবিধাৰ লগতে অত্যাধুনিক সুবিধাযুক্ত ষ্টেডিয়ামত খেলাৰ সুযোগ দিয়া হ'ব। এই পদক্ষেপে যুৱক-যুৱতীসকলক দক্ষতা বিকাশত সহায় কৰিব আৰু বিশ্বৰ সমুখত ভাৰতক গৌৰৱান্বিত কৰি তুলিব বুলি শ্ৰী মলহোত্ৰাই আশা প্ৰকাশ কৰে।

০০০০০০০০০

মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই কালি ইম্ফলৰ চিটী কনভেনচন চেণ্টাৰত অনুষ্ঠিত আকাশবাণী ইম্ফলৰ হীৰক জয়ন্তী উদযাপন অনুষ্ঠানত ভাগ লয়। এই অনুষ্ঠানত আকাশবাণী ইম্ফলে আগবঢ়োৱা ৬০ বছৰজোৰা সেৱাৰ বিষয়ে আলোকপাত কৰা হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি ৰাজ্যপালগৰাকীয়ে হীৰক জয়ন্তী স্মৰণিকা উন্মোচন কৰে আৰু আকাশবাণী ইম্ফলৰ বিষয়া আৰু হীৰক জয়ন্তী অনুষ্ঠানৰ প্ৰযোজকসকলৰ মাজত প্ৰশস্তি পত্ৰ বিতৰণ কৰে। অনুষ্ঠানত অতিৰিক্ত মুখ্য সচিব অনুৰাগ বাজপেয়ী, আকাশবাণীৰ সঞ্চালকপ্ৰধান ৰাজীৱ কুমাৰ জৈন, আকাশবাণীৰ উত্তৰ-পূব সংমণ্ডলৰ অতিৰিক্ত সঞ্চালকপ্ৰধান সত্যজিৎ দাস আৰু ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

০০০০০০০০০

ইজৰাইলৰ সেনা বাহিনীয়ে হামাছ সন্ত্ৰাসবাদী নিৰ্মূল আৰু গাজাৰ ইজৰাইলৰ নিয়ন্ত্ৰণত থকা অঞ্চলসমূহত থকা সুৰংগ ধ্বংস কৰি যাব বুলি দেশখনৰ প্ৰতিৰক্ষা মন্ত্ৰী ইজৰাইল কাট্জে প্ৰকাশ কৰিছে। ৰাফাত বন্দী কৰি ৰখা হামাছৰ সন্ত্ৰাসবাদীক গাজা ষ্ট্ৰীপলৈ ঘূৰাই পঠোৱাৰ বাবে আমেৰিকাই ইজৰাইলক আহ্বান জনোৱা বুলি তথ্য প্ৰকাশৰ মাজতে কালি কাট্জে এই মন্তব্য কৰে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয়, যে ইজৰাইলৰ উদ্দেশ্য হৈছে – হামাছক নিৰস্ত্ৰ কৰি গাজাক সেনামুক্ত কৰা আৰু পণবন্দীসকলৰ মৃতদেহ উদ্ধাৰ কৰা। ৰাফাৰ সুৰংগসমূহৰ ভিতৰত এতিয়াও হামাছৰ প্ৰায় ২০০ বন্দুকধাৰীয়ে আত্মগোপন কৰি আছে বুলি ইজৰাইলৰ চোৰাংচোৱাই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে ২০২৩ চনৰ ৭ অক্টোবৰত হামাছে দক্ষিণ ইজৰাইলত আক্ৰমণ কৰি প্ৰায় এহেজাৰ ২০০ লোকক হত্যা কৰে আৰু ২৫২ জন ইজৰাইলী আৰু বিদেশী নাগৰিকক বন্দী কৰি ৰাখে। গাজাত এতিয়াও পাঁচজন ইজৰাইলী আৰু দুজন বিদেশী নাগৰিকৰ মৃতদেহ আছে বুলি চোৰাংচোৱা সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ পাঁচখনীয়া টী-২০ ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল কুইন্সলেণ্ডত অনুষ্ঠিত হৈছে। খেলখনত অষ্ট্ৰেলিয়াই টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। শৃংখলাত এতিয়ালৈকে দুয়োটা দলে একোখনকৈ খেলত জয়লাভ কৰিছে।

০০০০০০০০০

সমাপ্ত